# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 21-SEP-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

-------------------

অপূৰণীয় শূন্যতাৰ সৃষ্টি কৰি আঁতৰি যোৱা অসমবাসীৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ পাৰ্থিৱ শৰীৰ সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত ৰখা হৈছে। জনসাধাৰণে হিয়াৰ আমঠু শিল্পীগৰাকীক অন্তিম শ্ৰদ্ধা জ্ঞাপন কৰিছে। শিল্পীগৰাকীক সকলো অনুৰাগীয়ে শ্ৰদ্ধাঞ্জলি জনাব পৰাকৈ আজি গোটেই নিশা আৰু কাইলৈও ষ্টেডিয়াম খোলা থাকিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। দৰ্শনাৰ্থীসকলে শিল্পীগৰাকীলৈ শেষ শ্ৰদ্ধা জনোৱাৰ পাছত ষ্টেডিয়ামখনৰ ৩ নম্বৰ দুৱাৰেৰে ওলাই যাব পাৰিব। ইপিনে শিল্পীগৰাকীৰ প্ৰতি শেষ শ্ৰদ্ধা জ্ঞাপনৰ বাবে যোৱা অগণন অনুৰাগীৰ সুবিধা হোৱাকৈ আজি ৰাষ্ট্ৰীয় ঘাইপথেৰে বাণিজ্যিক বাহনৰ চলাচল বন্ধ ৰখা হৈছে। ষ্টেডিয়ামলৈ অনাৰ পূৰ্বে শিল্পীগৰাকীৰ নশ্বৰ দেহ কাহিলিপাৰাৰ নিজ বাসগৃহলৈ নিয়া হয়।

আজি পুৱা প্ৰায় চাৰে ৬ বজাত এয়াৰ ইণ্ডিয়াৰ এখন বিমানেৰে শিল্পীগৰাকীৰ নশ্বৰদেহ গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰলৈ লৈ অনা হয়। চৌদিশে কেৰল হুমুনিয়াহ আৰু চকুলোৰ মাজত শিল্পীগৰাকী অগণন জনতাৰ মাজেৰে প্ৰায় চাৰে ৬ ঘণ্টাজোৰা যাত্ৰাৰ অন্তত কাহিলিপাৰাৰ নিজ বাসগৃহত অন্তিম বাৰৰ বাবে উপস্থিত হয়।

ৰাজ্য চৰকাৰে আজি সন্ধিয়া শিল্পীগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়া সন্দৰ্ভত এখন কেবিনেট বৈঠক আহ্বান কৰিছে। পৰিয়ালৰ ইচ্ছা অনুসৰি সোণাপুৰতে জুবিন গাৰ্গৰ সমাধিৰ সিদ্ধান্ত লোৱা হৈছে বুলি ইতিমধ্যে মন্ত্ৰী কেশৱ মহন্তই প্ৰকাশ কৰিছে।

বাইট

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই জুবিন গাৰ্গৰ মৃত্যুৰ বিষয়টোৰ বিশদ অনুসন্ধানৰ বাবে তেওঁ ছিংগাপুৰৰ উচ্চায়ুক্ত চাইমন ৱঙৰ সৈতে কথা পাতিছে বুলি জনাইছে।

ooooo

বিটিচি নিৰ্বাচন কাইলৈ অনুষ্ঠিত হ'ব। নিৰ্বাচন নিয়াৰিকৈ আৰু সুচাৰুৰূপে পৰিচালনাৰ বাবে জিলা প্ৰশাসনসমূহে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। ইতিমধ্যে প্ৰিজাইডিং আৰু পোলিং বিষয়াসকল নিজ নিজ ভোটগ্ৰহণ কেন্দ্ৰলৈ ৰাওনা হৈছে। বাক্সা জিলাৰ ৫৭৫টা কেন্দ্ৰত কাইলৈ ভোটগ্ৰহণ কৰা হ'ব। জিলাখনৰ ছটা পৰিষদীয় সমষ্টিৰ ৪ লাখ ৭৪ হাজাৰ ১৯৭গৰাকী ভোটদাতাই ৫২গৰাকী প্ৰাৰ্থীৰৰ ভাগ্য নিৰ্ণয় কৰিব।

চিৰাং জিলাৰ ৭টা পৰিষদীয় সমষ্টিৰ মুঠ ৪৬৬ ভোটগ্ৰহণ কেন্দ্ৰত কাইলৈ বি টি চিৰ পঞ্চম সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হ'ব। আজি চিৰাং জিলাৰ সদৰ কাজলগাঁৱত থকা উপেন্দ্ৰ নাথ ব্ৰহ্ম মহাবিদ্যালয় আৰু বিজনী মহাবিদ্যালয়ৰ পৰা ভোটগ্ৰহণৰ বাবে নিয়োগ কৰা বিষয়াসকল নিজ নিজ কেন্দ্ৰলৈ ৰাওনা হয়। উল্লেখযোগ্য যে, এইবাৰ চিৰাং জিলাৰ ৭টা পৰিষদীয় সমষ্টিত মুঠ ৫৬ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। জিলাখনৰ ১৯২টা ভোটগ্ৰহণ কেন্দ্ৰ স্পৰ্শকাতৰ হিচাপে চিহ্নিত কৰা হৈছে। জিলাখনত নিৰ্বাচনী কাজ-কাজ সম্পন্ন কৰাৰ বাবে দুহেজাৰ ২২০ গৰাকী প'লিং, প্ৰিজাইডিং তথা অন্যান্য বিষয়া নিয়োগ কৰা হৈছে। স্পৰ্শকাতৰ কেন্দ্ৰসমূহত সূক্ষ্ম নিৰীক্ষক নিয়োগ কৰা

হৈছে। কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজেৰে আজি কেন্দ্ৰসমূহলৈ ভোটগ্ৰহণকাৰী বিষয়াসহ বেলট বাকচসমূহ প্ৰেৰণ কৰা হ'ব।

০০০০০

জুবিন গাৰ্গৰ অকাল বিয়োগৰ পৰিপ্ৰেক্ষিতত অসম লোকসেৱা আয়োগে আজি আৰু কাইলৈ হ'বলগীয়া পৰীক্ষা স্থগিত ৰাখিছে। কাইলৈ হ'বলগীয়া কৃষি বিভাগৰ অধীনৰ কৃষি উন্নয়ন বিষয়া পদৰ সাক্ষাৎকাৰ প্ৰক্ৰিয়া ২৫ আৰু ২৬ ছেপ্তেম্বৰলৈ পিছুৱাই দিয়া হৈছে। শিল্পীগৰাকীৰ বিয়োগত ৰাজ্যিক শোক ঘোষণা কৰালৈ চাই সেৱা সপ্তাহ উপলক্ষে গ্ৰন্থবৰ্ষ, ২০২৫-ৰ সৈতে সংগতি ৰাখি প্ৰদান কৰিবলগীয়া যুৱ লেখক সন্মানৰ কাৰ্যসূচী স্থগিত ৰখা হৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে পৰৱৰ্তী সময়ত এই অনুষ্ঠানৰ সময় নিৰ্ধাৰণ কৰা হ'ব বুলি প্ৰকাশ কৰিছে। তেওঁ লগতে আজি হ'বলগীয়া বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিক মূল্যায়ন পৰীক্ষা এফ এল এন এ টি স্থগিত ৰখাৰ কথা ঘোষণা কৰে। ৪ লাখ ৭০ হাজাৰ প্ৰাপ্তবয়স্ক শিক্ষাৰ্থীয়ে অংশ ল'বলগীয়া এই মূল্যায়ন পৰীক্ষা অহা ১২ অক্টোবৰত অনুষ্ঠিত হ'ব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। সেৱা সপ্তাহৰ অধীনত প্ৰয়োজনীয় সেৱাৰ কাৰ্যসূচী চলি থাকিব যদিও আনুষ্ঠানিক তথা অন্যান্য লাভ বিতৰণৰ অনুষ্ঠানসমূহ স্থগিত ৰখা হ'ব।

০০০০০

সমগ্ৰ দেশতে কাইলৈৰ পৰা কাৰ্যকৰী হ'বলগীয়া সামগ্ৰী আৰু সেৱা কৰ অৰ্থাৎ জি এছ্ টি নতুন সংস্কাৰ সন্দৰ্ভত আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কিছু সময় পূৰ্বে জনসাধাৰণক সম্বোধন কৰিছে। তেওঁ কয় যে কাইলৈ নৱৰাত্ৰিৰ প্ৰথম দিনাৰ পৰাই জি এছ্ টি ৰেহাই কাৰ্যকৰী হ'ব। ইয়াৰ ফলত দৰিদ্ৰ, মধ্যবিত্ত, কৃষক, জ্যেষ্ঠ নাগৰিক আৰু যুৱক-যুৱতীসকল উপকৃত হ'ব বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। স্বাধীনতাৰ পৰৱৰ্তী সময়ত এয়া ভাৰতৰ সৰ্ববৃহৎ কৰ সংস্কাৰ বুলিও প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। দেশৰ জনসাধৰণে বৰ্তমানৰ প্ৰয়োজন আৰু ভৱিষ্যতৰ স্বপ্ন পূৰণ কৰিব পৰাকৈ এই সংস্কাৰ কৰা হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ কয় যে চিকিৎসাত ব্যৱহৃত সামগ্ৰীৰ ক্ষেত্ৰত জি এছ্ টি হ্ৰাসে বিভিন্ন স্তৰৰ লোকক উপকৃত কৰিব। তদুপৰি শিক্ষা ক্ষেত্ৰত জি এছ্ টিৰ হাৰ হ্ৰাস পোৱাৰ ফলত শিক্ষাৰ্থীসকল বিশেষভাৱে উপকৃত হ'ব বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে।

০০০০০

সমাপ্ত